এৰিয়াচ চছাইটি

# অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প (এপাৰ্ট)

## সামাজিক মূল্যায়ন, পুনৰ বন্দৱস্তি আৰু সামাজিক পৰিচালনাৰ আন্তঃগাঁথনিৰ প্ৰতিবেদনৰ

# কাৰ্য্যকৰী সাৰাংশ

নৱেম্বৰ ২০১৬

# কাৰ্য্যকৰী সাৰাংশ

## ১. পটভূমি

“অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প” (আচাম প্ৰজেক্ট ফৰ এগ্ৰিবিজনেচ এণ্ড ৰুৰেল ট্ৰেন্সফৰমেচন সংক্ষেপে এপাৰ্ট) প্ৰস্তাৱিত প্ৰকল্পটো ৰূপায়িত কৰাৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ সহযোগত বিশ্ব বেংকক ২০০ নিযুত মাৰ্কিন ডলাৰ ধনৰ আবেদন কৰিছিল। এই প্ৰকল্পৰ মূল লক্ষ্য হ’ল কৃষি সামগ্ৰী গুণগতভাৱে উৎপাদন কৰা, কিছু কৃষি সামগ্ৰীৰ মান বিশেষ পদ্ধতিৰ সহায়ত বৃদ্ধি কৰা, ক্ষুদ্ৰ খেতিয়ক আৰু জিলাৰ উপান্ত কৃষক আৰু ক্ষুদ্ৰ কৃষি উদ্যোগীক গুৰুত্ব প্ৰদান, উপান্ত, ক্ষুদ্ৰ, মজলীয়া খণ্ডৰ কৃষক আৰু উদ্যোগীসকলৰ বাবে ক্ষুদ্ৰ আৰু মজলীয়া কৃষিভিত্তিক ব্যৱস্যায় প্ৰতিষ্ঠান স্থাপন কৰা আৰু কৃষিৰ উৎপাদন বৃদ্ধি প্ৰকল্প চলি থকা জিলাত জলবায়ু পৰিৱৰ্তনৰ ফলত হোৱা বানিজ্যিক ক্ষতিৰ শংকা ৰোধ কৰা তথা উৎপাদন বৃদ্ধিৰ স্থিতিস্থাপকতাৰ ব্যৱস্থা গ্ৰনন কৰা এই প্ৰকল্পৰ আন এটা উদ্দেশ্য। প্ৰকল্পটোত নিৰ্দিষ্ট কৰা জিলাসমূহৰ বাবে থূপ (cluster) ব্যৱস্থাপনা গ্ৰহণ কৰা হৈছে। ইয়াৰদ্বাৰা জিলাসমূহত অৰ্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি হব। স্থানীয় কৃষি ভিত্তিক ব্যৱসায় প্ৰতিষ্ঠান সমূহৰ মাজত উলম্ব আৰু সমানুপাতিক যোগসূত্ৰ স্থাপন হোৱাৰ লগতে কৃষিৰ ক্ষেত্ৰত নতুনত্ব দেখা যাব। বাহ্যিক যোগসূত্ৰৰ প্ৰভাৱ পৰাৰ লগতে নতুনত্বৰ ক্ষেত্ৰত প্ৰতিযোগিতা বাঢ়ি বজাৰৰ চাহিদা সঘনাই তথা ফলদায়কভাবে সলনি হব আৰু চৰকাৰী সহযোগিতা স্থাপন হব।

অসমৰ মুঠ ১৬ খন জিলাক এই প্ৰকল্পত সামৰিব খোজা হৈছে। এই জিলাকেইখন হ’ল বৰপেটা, কাছাৰ, দৰং, ধুবুৰী, গোৱালপাৰা, গোলাঘাট, যোৰহাট, কামৰূপ, কাৰ্বি আংলং, কোকৰাঝাৰ, লক্ষীমপুৰ, মৰিগাঁও, নগাঁও, নলবাৰী, শিৱসাগৰ আৰু শোণিতপুৰ। কৃষিৰ উৎপাদন আৰু উদ্যোগৰ ভিত্তিত এই জিলাকেইখন চিনাক্ত কৰা হৈছে। এপাৰ্টত থকা চাৰিটা মূল উপাদান হ’ল - উপাদান (ক): কৃষি ভিত্তিক ব্যৱসায় প্ৰতিষ্ঠাৰ উন্নয়ন কৰা, উপাদান (খ): আঞ্চলিক কৃষি উন্নয়নত সহযোগিতা কৰা, উপাদান (গ): বজাৰীকৃত উৎপাদনত উৎসাহ যোগোৱা আৰু স্থিতিস্থাপকতা বৃদ্ধি আৰু উপাদান (ঘ): প্ৰকল্প পৰিচালনা, সমাকৰণ আৰু শিকন।

## ২. সামাজিক মূল্যায়ন অধ্যয়নৰ সুবিধা

প্ৰকল্পটোৰ সুবিধাসমূহ হ’ল সামাজিক মূল্যায়ন নিৰূপণ কৰা আৰু  সামাজিক পৰিচালনাৰ গাঁথনি প্ৰস্তুত কৰা। প্ৰস্তাবিত উপ-প্ৰকল্পৰ কাৰ্যকৰণৰ বাবে প্ৰস্তুত কৰা নমুনা কিছুমানৰ ওপৰত ভিত্তি কৰি সামাজিক মূল্যায়ন নিৰূপণ কৰা হৈছে। ইয়াৰ ভিতৰত কৃষি, মৎস্য ব্যৱসায়, দুগ্ধ ব্যৱসায়, গাহৰি পালন, হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প, ৰেচম শিল্প আৰু ব্যৱসায় প্ৰতিষ্ঠান আদিয়েই প্ৰধান।

## ৩. কৰ্মপদ্ধতি আৰু পদক্ষেপ

প্ৰাথমিক আৰু দ্বিতীয় স্তৰৰ তথ্য সংগ্ৰহ পদ্ধতিটো সামাজিক পৰিচালনাৰ গাঁথনি প্ৰস্তুতৰ ভিতৰত সামৰি লোৱা হয়। ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্য্যায়ৰ উমৈহতীয়া আলোচনা তথা

প্ৰাসংগিকতা থকা সামাজিক আৰু বিভাগীয় নীতি-নিৰ্দেশনা পুষ্ট তথা সাংবিধানিক গাঁথনি এই মূল্যায়নৰ অন্তৰ্ভূক্ত। ক্ষেত্ৰ পৰিদৰ্শনৰদ্বাৰা সংগ্ৰহ কৰা তথ্য প্ৰস্তাবিত প্ৰকল্পটোত ব্যৱহাৰ কৰা হৈছে।

প্ৰকল্পটোত আৰ্থ-সামাজিক পৰ্য্যালোচনাৰ বাবে ৯ (ন) খন জিলাক নমুনা হিচাবে চিনাক্ত কৰা হৈছে আৰু সেইকেইখন হ'ল : কাছাৰ, দৰং, যোৰহাট, কামৰূপ, কাৰ্বি আংলং, মৰিগাঁও, নগাঁও, শিৱসাগৰ আৰু শোণিতপুৰ। জিলাসমূহৰ প্ৰতিষ্ঠান থূপ আৰু উৎপাদন থূপৰ মূল্যায়নৰ অৱস্থান অনুসৰি এই জিলাকেইখন বাচনি কৰি লোৱা হৈছে।

## ৪. আৰ্থ-সামাজিক বিশ্লেষণ

ৰাজ্যখনৰ জনসংখ্যা, দৰিদ্ৰতা, লিংগ অনুপাত, মানৱ উন্নয়ন পৰিচায়ক, সাক্ষৰতা, ধৰ্ম, জনমুৰি আয়, কৰ্ম সংস্কৃতি, অৰ্থনীতি, মাটি অধিকাৰৰ আকাৰ, মহিলাৰ আৰ্থ-সামাজিক অৱস্থা আৰু অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি দ্বিতীয় তথ্য বিশ্লেষণ কৰা হৈছে। সামাজিক বিশ্লেষণৰ বাৰে বাচনিকৃত প্ৰকল্প জিলাসমূহৰ উৎপাদন আৰু ব্যৱসায়িক প্ৰতিষ্ঠান কেন্দ্ৰত প্ৰাথমিক তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰা হৈছে।

<u>বিশ্লেষণৰ মুল দিশবোৰ হ'লঃ</u> পুৰুষ আৰু মহিলাসকলৰ অধিক সাক্ষৰতাৰ হাৰ (আনকি জনজাতীয় অঞ্চলতো), সৰহভাগ ঠাই ক্ষুদ্ৰ আৰু উপান্ত কৃষক সকলৰ অধীনত আছে, অধিক সংখ্যক মহিলাই গাহৰি পালনত জৰিত, বিত্তীয় ব্যৱস্থাটো অতি সীমিত, মধ্যভোগী/ এজেণ্ট/সুবিধাভোগীসকল অৱস্থিতি, কৃষি সামগ্ৰী মজুতকৰণৰ ব্যৱস্থাৰ অভাৱ, কৃষকসকলৰ বাবে আধুনিক প্ৰশিক্ষণ তথা দক্ষতা বৃদ্ধিৰ ব্যৱস্থাৰ অভাৱ ইত্যাদি।

## ৫. বিধিগত ব্যৱস্থা আৰু নীতি-নিৰ্দেশনাৰ গাঁথনি

অসম তথা ভাৰত চৰকাৰে বিভিন্ন আইন আৰু নীতি নিৰ্দেশনা প্ৰস্তুত কৰিছে। এই নীতি-নিৰ্দেশনাবোৰ প্ৰকলপটোৰ বাবে খাপ খোৱা। ৰাজ্যিক, কেন্দ্ৰীয় আৰু বিশ্ব বেংকে সময়ে সময়ে আৰোপ কৰা বিভিন্ন বিধিগত ব্যৱস্থাসমূহ এই প্ৰকল্প ৰূপায়নৰ ক্ষেত্ৰত পালন কৰা হব।

## ৬. নেতৃস্থানীয় লোকৰ সৈতে পৰ্য্যালোচনা

প্ৰকল্প প্ৰস্তুত কৰাৰ সময়ত অঞ্চলটোত চলি থকা বিভিন্ন সমস্যাবোৰ, অঞ্চলটোৰ বিভিন্ন নেতৃস্থানীয় লোকসকলৰ সৈতে আলোচনা কৰা হৈছেনে নাই সেইটো লক্ষ্য কৰিব লাগিব। উৎপাদনৰ পৰা আৰম্ভ কৰি বজাৰলৈ বৰ্তমান চলি থকা ব্যৱস্থাবোৰৰ কথা চালিজাৰি চোৱা হৈছে।

এপাৰ্টৰ অধীনত প্ৰস্তাৱিত বিভিন্ন মধ্যস্ততাকৰণৰ লাভালাভ উপলব্ধ হব। বিত্তীয় সেৱাৰ সুবিধা হব। স্বাস্থ্য সম্পৰ্কীয় সমস্যাবোৰৰ ক্ষেত্ৰত সজাগতাৰ সৃষ্টি হব। চৰকাৰী আঁচনিসমূহৰ ক্ষেত্ৰত সজাগতা বাঢ়িব। বিগত প্ৰকল্পত দেখা দিয়া অসুবিধা, সম্প্ৰসাৰণ সেৱা তথা অভিজ্ঞতাসমূহৰ বিষয়ে জনা যাব। মুঠ ৯ (ন) খন জিলাৰ পৰা নমুনা সংগ্ৰহ কৰা হব। নমুনা সংগ্ৰহৰ বাবে আলোচনা কৰা নেতৃস্থানীয় লোকসকলৰ ভিতৰত প্ৰাথমিক উৎপাদনকাৰী (খেতিয়ক, আত্ম সহায়ক গোটৰ মহিলা সদস্য, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ

কৃষক, সামাজিক নেতা), স্থানীয় প্ৰতিষ্ঠান (মহিলা,অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক, উপান্ত কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ত নিয়োজিত লোক), আৰু মূল্য নিৰ্দ্ধপিত লোক (মূলধন যোগানধাৰী, পুঞ্জীভুক্ত লোক, ব্যৱসায়ী, খাদ্য সংসাধন গোট, সামাজিক সংগঠন, কৃষক গোট, আঞ্চলিক গোট, উৎপাদনকাৰী কোম্পানী আদি আৰু এই বিভাগৰ বিষয়া) থাকিব। তলৰ উদ্দেশ্যবোৰ আগত ৰাখি সামাজিক পৰামৰ্শ লোৱা হৈছিল (i) উন্নত সমন্বয় আৰু একত্ৰীকৰণ (ii) হ্ৰাসপ্ৰাপ্ত জটিলতা (iii) উন্নত যোগাযোগ আৰু অংশগ্ৰহন (iv) কাৰ্য্যকৰী মাটিৰ ব্যৱহাৰ নিয়ন্ত্ৰণ (v) আঁচনি প্ৰস্তত আৰু পৰ্য্যালোচনাৰ বাবে কাৰ্য্যকৰী পদ্ধতিৰ উন্নয়ন।

আনুষ্ঠানিক পৰ্য্যায়ত পৰ্য্যালোচনাৰ ক্ষেত্ৰত চৰকাৰী বিভিন্ন বিভাগৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰা। সেইবোৰৰ ভিতৰত (i) প্ৰকল্প জিলাত বিভিন্ন লোকে কি কি কৃষিকাৰ্য্য কৰি আছে, (ii) তৃণমূল পৰ্য্যায়ত বিভিন্ন বিভাগৰ লোকৰ কাৰ্য্যকৰী পদ্ধতি (iv) পথ উন্নয়নৰ ক্ষেত্ৰত ভুমি অধিগ্ৰহনৰ প্ৰচলিত ব্যৱস্থা কি আৰু (v) ৰাইজৰ ভুমি ক্ষেত্ৰত দখলীস্বত্ব বা ব্যৱহাৰিক অধিকাৰ পদ্ধতি।

## ৭. আনুষ্ঠানিক বিশ্লেষণ আৰু কাৰ্য্যকৰী ব্যৱস্থা

এচ এম এফৰ নীতি-নিৰ্দেশনা অনুসৰি প্ৰকল্পটোৰ উপাদানসমূহ ব্যৱহৃত হৈছে নে নাই তাক নিশ্চিত কৰিবলৈ এক প্ৰণালীবদ্ধ আনুষ্ঠানিক ব্যৱস্থা প্ৰস্তুত কৰা হৈছে। ইয়াৰ বাবে এপাৰ্টলৈ এৰিয়াছ সমিতিয়ে এক সাংগঠিনক ব্যৱস্থা প্ৰস্তাৰ কৰিছে। এই ব্যৱস্থাত ৰাজ্যিক, জিলা আৰু আঞ্চলিক পৰ্য্যায়ত সমাকৰণ কৰা হব। সংশ্লিষ্ট বিভাগ আৰু অনুষ্ঠানবোৰ বিভিন্ন পৰ্য্যায়ত কাৰ্য্যকৰী কৰা হৈছে। ইয়াৰ উপৰিও প্ৰকল্পটোৰ সামাজিক দিশবোৰ চালিজাৰি চোৱাৰ বাবে সামাজিক পৰিচালনা কোষ গঠন কৰা হব। সামাজিক পৰিচালনা সম্পৰ্কৰ সমস্যাবোৰ সমাধান কৰিবলৈ আগভাগ লোৱা বিভিন্ন বিভাগ/এজেঞ্চী নিয়োগ কৰা হব।

এছ এম এফৰ কাম কাজ কাৰ্য্যকৰী কৰাৰ বাবে আৰু কৃষক/উৎপাদনকাৰীসকলৰ উমৈহতীয়া কৃষি ব্যৱসায়ৰ সজাগতা বৃদ্ধিৰ বাবে এপাৰ্টৰ এক বিশেষ ব্যৱস্থা আছে। সামাজিক হিচাব গোট (চচিয়েল অডিট টিম)/সামাজিক হিচাব সমিতি (চচিয়েল অডিট কমিটি) গঠন কৰা হব। এছ এম এফৰ কাম কাজ পৰ্য্যবেক্ষন কৰাৰ বাবে এক বাহিৰৰ সমাকৰণ এজেঞ্চি থাকিব। প্ৰকল্পটোৰ অধীনত নেতৃস্থানীয় লোকৰ কাম-কাজৰ মাজত সমন্বয় ৰক্ষা কৰাৰ বাবে এক প্ৰকল্প তথ্য পৰিচালনা ব্যৱস্থা (প্ৰজেক্ট মেনেজমেণ্ট ইনফৰমেচন চিষ্টেম) থাকিব।

## ৮. ভূমিৰ ব্যৱহাৰ

ভূমি অধিগ্ৰহন কৰিবলগীয়া কোনো কাম প্ৰকল্পত সন্নিবিষ্ট নহব। সামাজিক পৰিচালনাৰ বিধিৰ আধাৰত ভূমিৰ ব্যৱহাৰ আৰু পুনৰ সংস্থাপনৰ কাম কৰা হব।

## ৯. জনজাতি উন্নয়নৰ কৌশল

মুক্ত, আগতীয়া আৰু অনানুষ্ঠানিক আলোচনাৰে খিলঞ্জীয়া লোকৰ চিন্তা ভাৱনা চিনাক্ত কৰাৰ লগতে এই প্ৰকল্পত তেওঁলোকৰ সহযোগিতা নিশ্চিত কৰিব লাগিব। খিলঞ্জীয়া লোকৰ সমস্যা

নাইকীয়া কৰাৰ বাবে ৰাজ্য, কেন্দ্ৰ আৰু বিশ্ব বেংকৰ নীতিৰ আধাৰত জনজাতি উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

## ১০. স্বাস্থ্য আৰু সুৰক্ষাৰ পৰিকল্পনা আৰু নিৰ্মানৰ নীতি

কৰ্মীৰ স্বাস্থ্য আৰু সুৰক্ষা প্ৰতিটো স্তৰতে বজাই ৰাখিবলৈ প্ৰচলিত বনুৱা আইন মানি চলাটো প্ৰয়োজন। প্ৰকল্প ৰূপায়ণ সমিতিয়ে ইয়াৰ সমাকৰণ সময়ে সময়ে কৰিব। দৈনিক কৰ্মৰ সময়, দিবলগীয়া দৰমহা আদি ইয়াৰ ভিত্তিত কৰিব।

## ১১. লিংগ উন্নয়ন কৌশল

মূল জৰীপ বিশ্লেষণ, মহিলা গোটৰ সৈতে হোৱা আলোচনা আৰু নেতৃস্থানীয় লোকৰ সৈতে হোৱা পৰ্য্যালোচনাই লিংগ সম্পৰ্কীয় থকা সমাস্যাবোৰ চিনাক্ত কৰাত সহায় কৰিছিল। প্ৰকল্পটোত ইয়াৰ গুৰুত্ব অধিক। এই আলোচনাৰ ফলত দেখা পোৱা মূল দিশকেইটা হ'ল – যিকোনো উন্নয়ন আঁচনিত মহিলাৰ কম অংশগ্ৰহন, গুৰুত্বপূৰ্ণভাবে জৰিত হৈ থকা স্বত্বেও কৃষিগত কাৰ্য্যৱলী চিনাক্ত কৰিব নোৱাৰা, কৃষিজাত ভূমিৰ স্বত্বহীনতা, বজাৰ সম্পৰ্কত সম্যক জ্ঞানৰ অভাৱ আৰু পুৰুষতকৈ কম মজুৰি প্ৰদান।

প্ৰকল্পটোত লিংগ বৈষম্য দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সামাজিক জৰিতকৰণ ব্যৱস্থাৰ নিশ্চিতি প্ৰদান কৰা হৈছে। মহিলা জৰিতকৰণৰ সুবিধাৰ জৰিয়তে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে প্ৰকল্পটোত ব্যৱস্থা লোৱা হৈছে।

লিংগ সম্পৰ্কত থকা সমস্যাবোৰ দূৰ কৰাৰ বাবে এক লিংগ কাৰ্য্যপন্থা আঁচনি (জি এ পি) প্ৰস্তুত কৰা হৈছে আৰু প্ৰকল্পটোৰ আঁচনি প্ৰস্তুত, ৰূপায়ণ আৰু ব্যৱস্থা গ্ৰহণ প্ৰতিটো স্তৰতে মহিলা অনুভূতি নিশ্চিত কৰা হৈছে।

## ১২. নাগৰিকৰ অংশগ্ৰহন

এপাৰ্টত সামাজিক খতিয়ান আৰু উপভোক্তাৰ মতামত এক অবিচ্ছেদ্য অংগ। সামাজিক খতিয়ানে সামাজিক উন্নয়নত স্বচ্ছতা আৰু আগ্ৰহ বৃদ্ধি কৰে। এপাৰ্টৰ উদ্যোগত বহুটো স্থানীয় অনুষ্ঠান, যেনে – একক উদ্দেশ্য গোট (চি আই জি), কৃষক উৎপাদন সংস্থান (এফ পি ও), সামুহিক সেৱা কেন্দ্ৰ, বিল উন্নয়ন সমিত, উৎপাদক সমবায় সমিতি/অনুষ্ঠান/গোট আদি গঠন হব। ইয়াৰ ফলত সামাজিক খতিয়ানৰ সময়ত প্ৰকল্প ৰূপায়ণত সহায়ক হব। স্থানীয় পৰ্য্যায়ত সকলো অনুষ্ঠান/প্ৰতিষ্ঠানৰ সামাজিক খতিয়ান লোৱা হব।

উপভোক্তাৰ মতামত পদ্ধতি প্ৰকল্প ৰূপায়ণত প্ৰয়োজন। ইয়াৰ বাবে প্ৰকল্পৰ সেৱা সংশোধনী ব্যৱস্থা, প্ৰকল্পৰ গুণা-গুণ নিৰ্ধাৰণ আদি সম্ভৱ হব।

## ১৩. অভিযোগ বিধান পদ্ধতি

অসম ৰাইট টু পাব্লিক চাৰ্ভিচ এক্ট, ২০১২ অনুসৰি অভিযোগ বিধান পদ্ধতি প্ৰৱৰ্তিত হব। প্ৰকল্পৰ প্ৰতি পৰ্য্যায়তে অভিযোগ বিধান বিষয়া একোজন থাকিব। অভিযোগৰ বিচাৰৰ বাবে

জিলা আৰু ৰাজ্যিক পৰ্য্যায়ত আপীল কৰ্তৃপক্ষ থাকিব। প্ৰকল্প পৰিচালনা আৰু তথ্যৰ সৈতে অভিযোগ বিধান পদ্ধতি সংলগ্ন হব।

## ১৪. আঁচনি চক্ৰ

এপাৰ্ট আঁচনি চক্ৰত সামাজিক উন্নয়ণৰ মান বিভিন্ন পৰ্য্যায়ত প্ৰকাশ পাব লাগিব। আঁচনি চক্ৰৰ লক্ষ্যবোৰ হৈছে –

(i) আঁচনি ৰূপায়ণৰ স্বচ্ছতা।

(ii) প্ৰকল্প ৰূপায়ণ বিভিন্ন পৰ্য্যায়ৰ সমিতিৰ জবাবদিহি থাকিব।

(iii) প্ৰয়োজনীয় সময়ত নিৰ্ধাৰিত অনুষ্ঠানে কাম কৰাৰ পৰিৱেশ থাকিব।

## ১৫. সমাকৰণ, মূল্যায়ন আৰু প্ৰতিবেদন দাখিল

প্ৰকল্প ৰূপায়ণ সমিতিয়ে সামাজিক পৰিচালনা বিধিৰ নীতিৰ আধাৰত সময়ে সময়ে প্ৰকল্পৰ মূল্যায়ন কৰিব। প্ৰতিবেদনত কৰিব নোৱাৰা কাম সমূহৰ কথাও লিপিবদ্ধ কৰিব। প্ৰয়োজোনত নীতিৰ ভিত্তিত স্বাস্থ্য, সুৰক্ষা, এইচ আই ভি/এইডচ, জনজাতি উন্নয়ন, আদিৰ কথাও থাকিব।

## ১৬. দক্ষতা বিকাশৰ আঁচনি

একোটা প্ৰকল্পৰ সফলতা কৰ্মীৰ পাৰদৰ্শিতা, পটুতা, বিসংগতিহীনতা, নিপুনতা, বিচক্ষণতা, প্ৰশিক্ষণলব্ধ অথবা নিজৰ জ্ঞানৰ ওপৰত নিৰ্ভৰশীল হয়। সেইবাবে প্ৰকল্পৰ কৰ্মীৰ প্ৰশিক্ষণ নিয়মীয়া হোৱা প্ৰয়োজন। নিয়মীয়া প্ৰশিক্ষনেহে কৰ্মীৰ দক্ষতা বৃদ্ধি কৰে। সেই হেতুকে প্ৰকল্পৰ প্ৰাথমিক প্ৰতিবেদনত বিভিন্ন পৰ্য্যায়ৰ কৰ্মীৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। জনজাতীয় লোকৰ বাবে সেয়ে এই প্ৰকল্পত ৰাজ্য, ৰাষ্ট্ৰ আৰু বিশ্ব বেংকৰ নীতিৰ আধাৰত উন্নয়ন কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে।

## ১৭. সামাজিক পৰিচালনা বিধি

মূল প্ৰকল্পৰ পৰিকল্পনা, প্ৰস্তুতি আৰু ৰূপায়নৰ বাবে সম্মুখীন হবলগীয়া পৰিৱেশ আৰু সামাজিক প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য কৰি সামাজিক পৰিচালনা বিধি প্ৰস্তুত কৰা হৈছে। প্ৰকল্পৰ তিনিটা স্তৰ অৰ্থাৎ প্ৰস্তুতি, ৰূপায়ন আৰু কাৰ্য্যক্ষম হৈ থকালৈ চিন্তা কৰি সামাজিক পৰিচালনা বিধি সামৰা হৈছে। প্ৰতিটো স্তৰৰ পৰিৱেশৰ সম্ভাব্য প্ৰত্যাহ্বাহসমূহ চিনাক্ত কৰা হৈছে আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে ব্যৱস্থাৱলীও যুগুত কৰা হৈছে। ইয়াত পুনৰবসতি, পুনৰসংস্থাপন, লিংগৰ সমতা, জনজাতি উন্নয়ন, কীটনাশক দৰৱৰ ব্যৱহাৰ, দক্ষতা বৃদ্ধি আৰু প্ৰয়োজনীয় অনুষ্ঠানৰ ব্যৱস্থা কৰাৰ কথাও আছে। এই বিধিত উপ প্ৰকল্পৰ অপ্ৰয়োজনীয় আৰু অবাঞ্চিত সামগ্ৰী বাদ দিয়াৰ নিয়ম নীতি, সমাকৰণ সন্নিবিষ্ট কৰা হৈছে। অবাঞ্চিত সামগ্ৰী নিয়মমাফিক প্ৰত্যাহাৰ কৰাৰ পদ্ধতিৰ ব্যৱস্থা আগবঢ়াবলৈয়ে ইয়াৰ পৰামৰ্শ আগবঢ়োৱা হৈছে।

## ১৮. সামাজিক পৰিচালনা বিধি ৰূপায়নৰ বাজেট

সামাজিক পৰিচালনা বিধি ৰূপায়নৰ বাবে প্ৰয়োজনীয় বাজেট প্ৰস্তুতিত জনজাতীয় উন্নয়ন, স্বাস্থ্য আৰু সুৰক্ষাৰ বিধি, এইচ আই ভি/ এইডচৰ প্ৰতিৰোধ পৰিকল্পনা, এম এণ্ড ই আৰু প্ৰশিক্ষণ আৰু দক্ষতা বৃদ্ধি থাকিব। সামাজিক পৰিচালনা বিধি ৰূপায়নৰ বাবে সেয়ে আনুমানিক ১৬.৯০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

## ১৯. সাৰ্বজনীন উন্মোচন

এই প্ৰকল্পত জৰিতসকলৰ বাবে খচৰা প্ৰতিবেদনৰ চমু আভাষ প্ৰকাশ কৰা হব। এৰিয়াচ চছাইটিৰ কাৰ্য্যালয়ত প্ৰতিবেদনৰ প্ৰতিলিপি সহজলভ্য হোৱাৰ লগতে এৰিয়াচ চছাইটিৰ ৱেবচাইটতো এইবোৰ উপলব্ধ হব।